**জনসংখ্যা বিস্ফোৰণ (Population Explosion) :**

আমি আগতেই আলোচনা কৰিছোঁ যে কৃষি শতিকাৰ কালছোৱা জনসংখ্যাৰ বৃদ্ধি অতি উচ্চ হাৰত হৈ জন-বিস্ফোৰণৰ সৃষ্টি কৰিছে। জন বিস্ফোৰণ সংঘটিত হৈছে বিশেষভাৱে উন্নয়নশীল দেশসমূহত। ইয়াতে জনসংখ্যা বৃদ্ধিৰ হাৰত অৰ্থনৈতিক বিকাশ দ্ৰুত হাৰত হোৱা নাই। এই বাবেই জনবিস্ফোৰণ উন্নয়নশীল দেশৰ বাবে এক প্ৰত্যাহ্বান মূলক সমস্যা ৰূপে দেখা দিছে। জনসংখ্যা বিস্ফোৰণ হ'ল কোনো এখন দেশৰ জনমূৰি হোৱাৰ আয়ৰ তুলনাত অধিক হাৰত হোৱা জনসংখ্যাৰ বৃদ্ধি। যেতিয়াই জনমূৰি আয়ৰ বৃদ্ধিত জনসংখ্যা বৃদ্ধিয়ে হেঙাৰ সৃষ্টি কৰা অৱস্থা আহে, তেতিয়াই তাক জনসংখ্যা বিস্ফোৰণ বুলি কোৱা হয়। ই জনমূৰি আয়ৰ মান নিম্নগামী কৰে। জনসংখ্যাৰ পৰিবৰ্তন তত্ত্বই (Theory of Demographic Transition) উল্লেখ কৰিছে যে জন বিস্ফোৰণ হ'ল জনসংখ্যা বৃদ্ধিৰ হাৰত হোৱা এক অপ্ৰত্যাশিত দ্ৰুত বিস্তৃতি, যিটো জন্ম-মৃত্যু হাৰৰ ব্যাপক ব্যৱধানৰ বাবে জনসংখ্যা পৰিবৰ্তনৰ দ্বিতীয় পৰ্যায়ত আহে। জনসংখ্যা পৰিবৰ্তন তত্ত্ব অনুসৰি প্ৰত্যেক দেশে এনে পৰিবৰ্তনৰ তিনিটা পৰ্যায়ৰ মাজেৰে অতিক্ৰম কৰে বা কৰি আহিছে। প্ৰথম পৰ্যায়ত জন্ম আৰু মৃত্যু উভয় হাৰেই উচ্চ হয়। ফলস্বৰূপে জনসংখ্যা কম-বেছি পৰিমাণে স্থিৰ হৈ থাকে। সাধাৰণতে বিশ্বৰ অতি পিছপৰা অৰ্থনীতিত, য'ত কৃষিয়েই মূল জীৱিকা, তাত জনসাধাৰণৰ জনমূৰি আয় অতি নিম্ন পৰ্যায়ৰ হয়। তাত জীৱন ধাৰণৰ মানো নিম্ন পৰ্য্যায়ৰ হয়। জনসংখ্যা পৰিবৰ্তনৰ এই পৰ্যায়ত শিক্ষাৰ অভাৱ, কুসংস্কাৰ আৰু অন্যান্য সামাজিক ব্যাধিবোৰৰ বাবে জন্ম আৰু মৃত্যুৰ হাৰ দুয়োটা উচ্চ হয়।

জনসংখ্যা পৰিবৰ্তনৰ দ্বিতীয় পৰ্যায়ত জনসংখ্যা দ্ৰুত হাৰত বৃদ্ধি পায়। কিন্তু উন্নয়নৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে জীৱন নিৰ্বাহৰ মান উন্নত হয়, শিক্ষাৰ প্ৰসাৰ ঘটে, চিকিৎসা সুবিধা আৰু স্বাস্থ্য সেৱাৰ উন্নতি হয়। এই উন্নয়নবোৰে মৃত্যুৰ হাৰ যথেষ্ট কমাই দিয়ে। অৱশ্যে মৃত্যুৰ হাৰ অনুপাতে জন্মৰ হাৰ হ্ৰাস নাপায়। সেয়ে জনসংখ্যা তীব্ৰগতিৰে বৃদ্ধি পায়। সাধাৰণতে এইটো পৰ্যায়ত জনসংখ্যা বাৰ্ষিক ২% বা ততোধিক হাৰত হয়। গতিকে অৰ্থনীতিৰ বাবে ই আটাইতকৈ এক গভীৰ সমস্যা সৃষ্টি কৰে। অৰ্থনীতিবিদ সকলে ইয়াকে জনবিস্ফোৰণ বুলি আখ্যা দিছে। ভাৰতকে ধৰি তৃতীয় বিশ্বৰ উন্নয়নশীল দেশবোৰে জনসংখ্যা পৰিবৰ্তনৰ এইটো পৰ্যায়েৰে গতি কৰিছে। ভাৰতবৰ্ষৰ জনসংখ্যা ১৯২১ চনৰ ২৫.১ কোটিৰ পৰা ২০০১ চনৰ ১ মাৰ্চলৈ ১০২ কোটি অতিক্ৰম কৰিছে। আমি যদি জনসংখ্যা বৃদ্ধিৰ বৰ্তমান হাৰটোক বিচাৰ কৰোঁ তেন্তে ভাৰতবৰ্ষৰ জনসংখ্যাৰ প্ৰতি দহ বছৰত ইংলেণ্ডৰ জনসংখ্যাৰ দুগুণতকৈ অধিক লোক সংযোজিত হৈ আছে।

Scanned with CamScanner

Theory) আৰু দ্বিতীয়টো হ'ল মাৰ্ক্সৰ তত্ব (Marxian Theory)। মালথাচৰ তত্ত্বমতে জনসংখ্যা বৃদ্ধি সূচকীয় হাৰত বা চক্রবৃদ্ধি সুত উলিওবা সূত্র অনুসৰি হয়। কিন্তু খাদ্যাদি উৎপন্ন হয় সেই তুলনাত স্থিৰ গতিত। সেয়ে দৰিদ্রতা, দুৰ্ভিক্ষ, ৰোগ সংক্রমন, বিভিন্ন ধৰণৰ সমাজ বিৰোধী পাপ-কাৰ্য অৰ্থাৎ দোষণীয় কাৰ্য জনসংখ্যা বিস্ফোৰণৰ সৈতে আহি পৰে। তেওঁ আৰু কয় যে দুৰ্ভিক্ষ, ৰোগসংক্রমন, হিংসামূলক কাৰ্য আদিৰ দৰে 'ধনাত্মক বাধা' (ইংৰাজীত positive checks) ৰ সৈতে ৰক্ষাসূচক প্রতিবন্ধক (যেনে জন্মনিয়ন্ত্র) ৰে জনসংখ্যা নিয়ন্ত্রিত হয়।

কাৰ্লমাৰ্ক্সৰ মতে জনসংখ্যা বৃদ্ধি দুৰ্ভিক্ষ, দৰিদ্রতা, সম্পদৰ হ্রাসপ্রাপ্তি বা প্রদূষণ আদিৰ কাৰক হোৱাতকৈ এইবোৰৰ আদি লক্ষণহে হয়। তেওঁৰ মতে ধনী বা থকাসকলৰ দ্বাৰা নথকাসকলৰ বা গৰীব শ্রেণীৰ ওপৰত কৰা শোষণ নীতি হ'ল সামাজিক বিভ্রাটৰ মূল কাৰণ। ইয়াতেই সৃষ্টি হয় দৰিদ্রতা, দুৰ্ভিক্ষ, নিবনুৱা, পৰিবেশৰ স্খলন আদিৰ দৰে উৎপাদকবোৰ।

***জনা ভাল ঃ** প্রতি ছেকেণ্ডত গড় হিচাপত ৪ বা ৫টা শিশুৰ জন্ম হয় আৰু ২.২ জন ব্যক্তিৰ মৃত্যু হয়। গতিকে ছেকেণ্ডে প্রতি প্রায় আঢৈজন মানুহৰ বৃদ্ধি হয়। অৰ্থাৎ ঘণ্টাত প্রায় ৯০০০ জন আৰু সমস্ত দিনটোত প্রায় ২,১৪,০০০ জন মানুহৰ বৃদ্ধি হৈ আছে।*

এখন দেশে জনসংখ্যা বিস্ফোৰণৰ এই জটিল সমস্যাৰ পৰা উদ্ধাৰ পোৱাৰ আশা কৰিব পাৰে যদিহে উদ্যোগীকৰণ আৰু নগৰীকৰণৰ প্রক্রিয়া দ্রুততৰ হয় আৰু শিক্ষাৰ ব্যাপক প্রসাৰ ঘটে। এনেকুৱা এক অৱস্থাতহে জন্মৰ হাৰ নিম্নগামী হয় আৰু ই মৃত্যুৰ হাৰৰ সৈতে সমতা স্থাপন কৰে। কোনো দেশে এবাৰ এনেকুৱা অৱস্থা এটা লাভ কৰিলে জনসংখ্যা বিস্ফোৰণৰ জটিল সমস্যাৰ পৰা উদ্ধাৰ পাব পাৰে। বিশ্বৰ উন্নত দেশবোৰে ইতিমধ্যে জনসংখ্যা পৰিবৰ্তনৰ এই পৰ্যায়টো লাভ কৰিছে।

**জনসংখ্যা ৰোধ কৰাৰ উপায় ঃ**

**পৰিয়াল কল্যাণ আঁচনি (Family Welfare Programme) ঃ** পৰিয়াল কল্যাণৰ আঁচনিসমূহ দেশৰ ৰাষ্ট্রীয় জনসংখ্যাৰ নীতিৰ এক অপৰিহাৰ্য অংগ। এই আঁচনিত শিক্ষা, স্বাস্থ্য, শিশুৰ যতন, জন্ম নিয়ন্ত্রণ, মহিলাৰ অধিকাৰ, শিশুৰ পুষ্টি, মাতৃ আৰু শিশু কল্যাণ আদি বিভিন্ন কাৰ্যসূচী অন্তৰ্ভুক্ত কৰা হয়।

ভাৰতৰ দ্রুত জনসংখ্যা বৃদ্ধি আৰু পৰিণতিত দেখা দিয়া জন বিস্ফোৰণৰ সমস্যা অনুধাৱন কৰি ভাৰত চৰকাৰে পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ আৰম্ভণিৰে পৰা পৰিয়াল পৰিকল্পনাৰ ওপৰত গুৰুত্ব দিছে। পৰিয়াল পৰিকল্পনাৰ অৰ্থ হ'ল স্বেচ্ছামূলকভাৱে সীমিত পৰিয়ালৰ আকাৰ পাবলৈ উৎসাহিত কৰা। পৰিয়াল পৰিকল্পনা আঁচনিৰ মূল সত্যটো হ'ল ক্ষুদ্র পৰিয়ালৰ আদৰ্শ আৰু সন্তানৰ মাজত উপযুক্ত ব্যৱধান ৰখা। পৰিয়াল পৰিকল্পনাৰ আঁচনি গ্রহণত ভাৰত বিশ্বৰ ভিতৰতে প্রথম দেশ। চৰকাৰীভাৱে এই কাৰ্যসূচী ১৯৫১ চনতে আৰম্ভ হয়। কিন্তু দেশত জন্ম নিয়ন্ত্রণৰ আন্দোলন তাতোকৈও পুৰণি। ১৯২৫ চনতে কাৰ্ভেই বোম্বাইত পোন প্রথম জন্ম নিয়ন্ত্রণ কেন্দ্র মুকলি কৰে। প্রথম তিনিটা পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত পৰিয়াল পৰিকল্পনাৰ ওপৰত বৰ বেছি গুৰুত্ব দিয়া হোৱা নাছিল। কিন্তু চতুৰ্থ পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ পিছৰ পৰা ভাৰত চৰকাৰে পৰিয়াল পৰিকল্পনাৰ আঁচনিত যথেষ্ট গুৰুত্ব দিয়ে। এই পৰিকল্পনাত জন্মৰ হাৰ প্রতি হাজাৰত ৩৯ ৰ পৰা ১৯৭০ চনত প্রতি হাজাৰত ২৩ লৈ হ্রাস কৰাৰ লক্ষ্য থিৰাং কৰা হয়। অষ্টম পৰিকল্পনাত পৰিয়াল কল্যাণ আঁচনি সমূহত ৬০০ কোটি টকা ব্যয় কৰা হয়।

১৯৭৬ চনৰ এপ্রিল মাহত ভাৰত চৰকাৰে পোন প্রথম বাৰৰ বাবে ৰাষ্ট্রীয় জনসংখ্যা নীতি ঘোষণা কৰে আৰু জনসংখ্যা নিয়ন্ত্রণক দেশৰ শীৰ্ষতম জাতীয় সমস্যা হিচাপে স্বীকৃতি দিয়ে। দেশত বিবাহযোগ্য বয়স ছোৱালীৰ বাবে ১৮ বছৰ আৰু ল'ৰাৰ বাবে ২১ বছৰলৈ বৃদ্ধি কৰে। মহিলা শিক্ষাৰ পৰিসৰ বৃদ্ধি আৰু বন্ধ্যাকৰণৰ আকাৰ বৃদ্ধিৰ বাবে আৰ্থিক ক্ষতিপূৰণ দিয়াৰ বিশেষ উপায় গ্রহণ কৰা হয়।

Scanned with CamScanner

দেশত জনতা চৰকাৰৰ শাসন কালত কালত স্বাস্থ্য, মাতৃত্ব, শিশুৰ যতন আৰু পুষ্টি সাধন আদি আটাইবোৰ দিশ সাঙুৰি এক সংহত পৰিয়াল পৰিকল্পনাৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু পৰিয়াল পৰিকল্পনাক ***'পৰিয়াল কল্যাণ আঁচনি'*** হিচাপে নতুন নামাকৰণ কৰা হয়।

**পৰিয়াল কল্যাণ আঁচনিত গ্ৰহণ কৰা বিভিন্ন দিশসমূহ হ'ল ঃ**

*১। পৰিয়াল পৰিকল্পনাৰ জ্ঞান প্ৰসাৰিত কৰাৰ বাবে আৰু সজাগতা বৃদ্ধিৰ বাবে বহুমুখী প্ৰচাৰ মাধ্যম আৰু জনতাৰ জৰিয়তে বিভিন্ন আকৰ্ষণীয় কাৰ্যসূচী আৰম্ভ কৰা।*

*২। পৰিয়াল পৰিকল্পনাৰ কাম কাজক সাধাৰণ স্বাস্থ্য সেৱাৰ লগত জড়িত কৰা।*

*৩। স্বাস্থ্য কেন্দ্ৰবোৰৰ জৰিয়তে পৰিয়াল পৰিকল্পনাৰ সেৱা আগবঢ়োৱা আৰু দেশৰ সকলোবোৰ গ্ৰাম্য তথা চহৰ অঞ্চলত গৰ্ভ নিৰোধৰ সামগ্ৰী যোগান ধৰা।*

*৪। বন্ধ্যাকৰণক আৰ্থিক পুৰস্কাৰৰ জৰিয়তে উৎসাহিত কৰা।*

*৫। চিকিৎসা মহাবিদ্যালয় আৰু সংশ্লিষ্ট প্ৰতিষ্ঠানসমূহত পৰিয়াল পৰিকল্পনাৰ বিভিন্ন উপায়বোৰৰ সম্পৰ্কৰ প্ৰশিক্ষণ দিয়া।*

*৬। স্থানীয় স্বেচ্ছাসেৱী সংগঠনসমূহক জড়িত কৰি পৰিয়াল পৰিকল্পনাৰ ব্যাপক অভিযান হাতত লোৱা।*

*৭। মহিলা শিক্ষাৰ দ্ৰুত প্ৰসাৰৰ বাবে সা-সুবিধাৰ উন্নতি সাধন কৰা*

*৮। স্কুল, কলেজৰ যুৱক-যুৱতীসকলক জনসংখ্যা সম্পৰ্কীয় শিক্ষা প্ৰদান কৰা।*

*৯। পোষ্টাৰ, কাৰ্টুন আদিৰ জৰিয়তে জনসাধাৰণক সচেতন কৰা।*

**জানি থোৱা ভাল ঃ** আমাৰ দেশত কেৰেলাত আটাইতকৈ কম জন্মহাৰ হৈছে। ইয়াৰ আঁৰত আছে তাত বিয়াৰ বয়স সীমা ছোৱালীৰ বাবে ২১ বছৰ কৰা কথাটো; দেশৰ নীতিমতে এই সীমা ১৮ বছৰ। কিছুমান প্ৰদেশত এতিয়াও বাল্য-বিবাহ প্ৰথা চলি আছে। কেৰেলাত মহিলাৰ শিক্ষাৰ হাৰ ৩৩% (সমগ্ৰ দেশৰ ১৩%)। তাত প্ৰাথমিক শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। ৰাজ্যৰ শিক্ষা শিতানত ধাৰ্য কৰা ধনৰ ৬০% প্ৰাথমিক শিক্ষাৰ বাবে খৰচ কৰা হয়। তাত চিকিৎসা সেৱা, খাদ্য-বস্তুৰ বিতৰণ আৰু পৰিয়াল পৰিকল্পনাৰ আঁচনি গাঁও অঞ্চলতো সুন্দৰৰূপে ৰূপায়িত হৈছে। সেয়ে ৰেখেলাক পৰিয়াল পৰিকল্পনাৰ ক্ষেত্ৰত অৰ্থাৎ জন্ম নিয়ন্ত্ৰণৰ বাবে আদৰ্শ ৰূপে ঘোষণা কৰা হৈছে।

Scanned with CamScanner